জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৭৫/২০২১**

# শদিয়াত আয়োজিত কেন্দ্ৰীয় মে-ডাম্-মে-ফী উদ্যাপন অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## আহোম স্বৰ্গদেউ সকলে উজনিৰ পৰা নামনিলৈ বহু মঠ-মন্দিৰ, দেৱালয় ইত্যাদি নিৰ্মাণ কৰি উদাৰ দৃষ্টিভংগীৰে পাঁচ হাজাৰ বছৰীয়া আমাৰ সনাতন সভ্যতা-সংস্কৃতিৰ শক্তি বৃদ্ধি কৰাৰ লগতে আধ্যাত্মিকতাৰে পুষ্ট সমন্বয়ৰ সমাজ নিৰ্মাণৰ বাবে অৰিহণা যোগাই গৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত চপাখোৱাৰ শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰা কেন্দ্ৰীয় মে-ডাম্-মে-ফী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে মে-ডাম্-মে-ফীৰ আধ্যাত্মিক কাৰ্যসূচীত অংশ গ্ৰহণ কৰি পূৰ্বপুৰুষসকলক শ্ৰদ্ধা তৰ্পন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে মে-ডাম্-মে-ফীৰ তাৎপৰ্য মূল্যায়নেৰে পূৰ্বপুৰুষসকলৰ আদৰ্শৰে ৰাজ্যখনৰ সাতামপুৰুষীয়া সমন্বয় আৰু মিলাপ্ৰীতিৰ বান্ধোন শক্তিশালী কৰাৰ বাবে সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ত্ৰয়োদশ শতিকাতে স্বৰ্গদেও চাওলুং চ্যুকাফাই ৬০০ বছৰীয়া আহোম ৰাজত্বৰ পাতনি মেলি সৰু-বৰ সকলো জাতি-জনগোষ্ঠীক আস্থা আৰু বিশ্বাসত লৈ যি বৃহত্তৰ অসমীয়া জাতিৰ ভেটি নিৰ্মাণ কৰি গৈছে সেই ভেটিয়ে আজি আমাক একবিংশ শতিকাত এটা শক্তিশালী জাতি হিচাপে বিশ্বৰ বুকুত ঠিয় দিয়াৰ বাবে শক্তি যোগাইছে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে আহোমৰ ৪২ গৰাকী স্বৰ্গদেউক শ্ৰদ্ধাৰে স্মৰণ কৰিলে বৃহত্তৰ অসমীয়া সমাজে ভৱিষ্যতেও শক্তি আৰু সামৰ্থ অটুত ৰাখিব পাৰিব। আহোম স্বৰ্গদেউ সকলে উজনিৰ পৰা নামনিলৈ বহু মঠ-মন্দিৰ, দেৱালয় ইত্যাদি নিৰ্মাণ কৰি উদাৰ দৃষ্টিভংগীৰে পাঁচ হাজাৰ বছৰীয়া আমাৰ সনাতন সভ্যতা-সংস্কৃতিৰ শক্তি বৃদ্ধি কৰাৰ লগতে আধ্যাত্মিকতাৰে পুষ্ট সমন্বয়ৰ সমাজ নিৰ্মাণৰ বাবে যি অৰিহণা যোগাই গৈছে তাৰ ফলত অসমীয়া জাতিয়ে বীৰদৰ্পে আজিৰ সন্ধিক্ষণত পদাৰ্পণ কৰিবলৈ সক্ষম হৈছে। আজি আমি প্ৰদূষণমুক্ত অসম নিৰ্মাণৰ কথা কৈছো। কিন্তু স্বৰ্গদেউ সকলে অতীতৰ সেই সময়তে ডাঙৰ ডাঙৰ পুখুৰী খান্দি প্ৰদূষণমুক্ত পৰিৱেশ তথা প্ৰকৃতিৰ সন্তুলন অটুত ৰখাৰ দিশত পথ প্ৰদৰ্শন কৰি গৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অতীতক কেতিয়াও পাহৰি যাব নালাগে বুলি উল্লেখ কৰি অতীতৰ ঐতিহ্যৰ পৰাই

বৰ্তমানৰ নৱ প্ৰজন্মই চাওলুং চ্যুকাফাৰ আদৰ্শৰে সমন্বয় আৰু ভাতৃত্ববোধৰ এখন ঐক্যবদ্ধ আৰু শক্তিশালী অসম নিৰ্মাণ কৰিব লাগিব। স্বৰ্গদেউ চাওলুং চ্যুকাফাই ত্ৰয়োদশ শতিকাতে অসমলৈ আহি সৰু-বৰ সকলো জাতি-জনগোষ্ঠীক এক কৰি যি শক্তিশালী অসম নিৰ্মাণ কৰি গৈছে সেই আদৰ্শৰে নৱ প্ৰজন্মইও বাট বুটলিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বীৰ লাচিতৰ আদৰ্শৰে ডেকা শক্তিয়ে নিজৰ শক্তি, সামৰ্থ আৰু দক্ষতা প্ৰদৰ্শন কৰি বিশ্বৰ বুকুত শক্তিশালীভাৱে থিয় দিব লাগিব। আজি আমি স্মাৰ্ট পুলিচ, স্মাৰ্ট ক্লাচ ইত্যাদিৰ কথা কওঁ যদিও বীৰ লাচিতে সেই সময়তে স্মাৰ্ট যোদ্ধাৰ সকলোখিনি গুণেৰে শক্তিশালী মোগলক দক্ষতাৰে পৰাজিত কৰিছিল। ৰাজ্যখনৰ নৱ প্ৰজন্মইও লাচিতৰ এই দক্ষতা, যোগ্যতা, শক্তি, সামৰ্থৰে উদ্বুদ্ধ হৈ আগবাঢ়িব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মে-ডাম্-মে-ফী এক সাধাৰণ ধৰ্মীয় উৎসৱ নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই উৎসৱ পালনৰ জৰিয়তে জীৱনৰ বাটত আগবঢ়াৰ বাবে সকলোৰে শক্তি পাব বুলি কয়। মুখ্যমন্ত্ৰীয়ে মহাশক্তি স্বৰূপ মে-ডাম্-মে-ফীক উঠি অহা প্ৰজন্মই ভালদৰে মূল্যায়ন কৰি আগবাঢ়িলে অসমে নিজৰ শ্ৰেষ্ঠত্ব বিশ্বৰ বুকুত উজাৰি দিব পাৰিব বুলিও কয়।

২০১৬ চনত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ লৈয়ে ৰাজ্যখনৰ ৭০ টা জাতি-জনগোষ্ঠীৰ অংশ গ্ৰহণেৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ মনত থকা কথাবোৰ মুকলিমুৰীয়াকৈ বুজিবলৈ যত্ন কৰিছিল বুলি উল্লেখ কৰি চ্যুকাফাৰ সমন্বয়ৰ আদৰ্শৰে চৰকাৰখনে সৰু-বৰ সকলো জাতি-জনগোষ্ঠীক আস্থা আৰু বিশ্বাসত লৈ সকলোৰে সৰ্বাংগীন উত্তৰণৰ দিশত নিষ্ঠাসহকাৰে কাম কৰি আছে বুলিও তেওঁ কয়। চৰকাৰখনে আৰম্ভণিৰে পৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ মৰ্যাদা, সুৰক্ষা, কৃষ্টি-সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ দিশত নিষ্ঠাসহকাৰে কৰ্তব্য পালন কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে দিছপুৰৰ জনতা ভৱনৰ সন্মুখত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে বুলিও কয়। চৰকাৰখনে লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চ্যুকাফা আসন প্ৰৱৰ্তন কৰাৰ বাবেও পদক্ষেপ লৈছে। তদুপৰি চৰাইদেউত ৪২ গৰাকী স্বৰ্গদেউৰ স্মৃতিক্ষেত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে বুলিও তেওঁ কয়। ইয়াৰ লগতে শিৱসাগৰৰ ঐতিহ্য আৰু গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে পাঁচখন আইকনিক স্থানৰ অন্যতম এখন স্থান হিচাপে শিৱসাগৰক নিৰ্বাচন কৰি পদক্ষেপ লৈছে বুলি তেওঁ কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আধ্যাত্মিক শক্তি প্ৰদান কৰা মে-ডাম্-মে-ফী অনুষ্ঠানক আগন্তুক দিনত কুম্ভমেলাৰ দৰে মিলনৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে সকলোৰে সন্মিলিত প্ৰচেষ্টা চলাব লাগিব বুলিও কয়। সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্মস্থান শদিয়াৰ ঢলা-শদিয়া দলঙে বৰ্তমান চেহেৰা সলনি কৰি দিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ফ্ৰাচেং মুং বৰগোহাঁইৰ নামত শদিয়াত এখন সাংস্কৃতিক মহাবিদ্যালয় স্থাপন, বুঢ়াগোহাঁই সমন্বয় ক্ষেত্ৰ নিৰ্মাণ, ফ্ৰাচেং মুং বৰগোহাঁইৰ প্ৰতিমূৰ্তি স্থাপন, শদিয়াৰ প্ৰায় ২৫ টাকৈ দেওঘৰৰ উন্নয়নৰ বাবে অসম দৰ্শন আঁচনিৰ অধীনত প্ৰতিখনলৈ ১০ লাখ টকাকৈ অনুদান আগবঢ়োৱাৰ বাবে যি অনুৰোধ কৰা হৈছে সেই বিষয়সমূহ ৰাজ্য চৰকাৰে আন্তৰিকতাৰে বিচাৰ-বিবেচনা কৰি পদক্ষেপ ল'ব বুলিও কয়।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

এখন আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ উপৰি অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা আয়োজিত স্বদেশ অধ্যয়ন কুইজ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠত্ব লাভ কৰা প্ৰতিযোগীসকলক মানপত্ৰ আৰু আৰ্থিক পুৰষ্কাৰৰ চেক প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে চাওলুং চ্যুকাফাক বীৰ শিৱাজি আৰু টিপু চুলতানৰ লেখীয়াকৈ সমগ্ৰ বিশ্বতে শক্তিশালীভাৱে পৰিচয় কৰাই দিয়াৰ বাবে সকলোকে মিলিত প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়। এই প্ৰসংগত তেওঁ কয় যে চাওলুং চ্যুকাফাই ৬০০ বছৰীয়া আহোম ৰাজত্বৰ পাতনি মেলি যি সাংস্কৃতিক সমন্বয়ৰ ধাৰা সৃষ্টি কৰিছিল তেনে ধাৰা বিশ্বৰ বুকুত বিৰল। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে সকলোকে আস্থা আৰু বিশ্বাসত লৈ ৰাজ্যখনক সকলো দিশতে আগুৱাই নিয়াৰ বাবে নিষ্ঠাসহকাৰে কাম কৰিছে বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰৰ দিনত শদিয়াৰ উন্নয়নেও বিশেষ অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি কৃষিৰ দিশত থকা শদিয়াৰ উজ্জ্বল সম্ভাৱনাৰ পূৰ্ণ বিকাশ ঘটাই শদিয়াই এই দিশত যথেষ্ট অগ্ৰগতি লাভ কৰাৰ সম্ভাৱনা আছে বুলিও তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেই পূৰ্বজ সকলৰ শৌৰ্য-বীৰ্য স্মৰণৰ এই উৎসৱে ৰাজ্যখনৰ একতা আৰু সমন্বয়ৰ বান্ধোন শক্তিশালী কৰিব বুলি কয়। কোনো অপশক্তিয়ে আগন্তুক সময়ত সমাজত যাতে বিভেদৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে সকলোকে সচেষ্ট হৈ থাকিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কেৱল আন্তঃগাঁথনিৰ উন্নয়নে নহয় সকলো জাতি-জনগোষ্ঠীৰ সম-উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপেৰে সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্দ্ধনত গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁ কয়।

সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক যাদৱ শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত শদিয়া বিধান সভা সমষ্টিৰ বিধায়ক তথা উদ্‌যাপন সমিতিৰ সভাপতি বলীন চেতিয়া, বিশিষ্ট সমাজকৰ্মী পুলক গোহাঁই, প্ৰণাম আয়োগৰ আয়ুক্ত যুগবালা বুঢ়াগোহাঁইয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰিত পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ অধ্যক্ষ ড° দয়ানন্দ বুঢ়াগোহাঁইৰ এক লিখিত ভাষণো পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সম্পাদক পুষ্প শইকীয়াই পাঠ কৰি শুনায়। অনুষ্ঠানত সোণাৰী বিধান সভা সমষ্টিৰ বিধায়িকা নৱনিতা সন্দিকৈ, মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা, চাবুৱা বিধান সভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ললিত মৰাণ, অসম গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত, তিনিচুকীয়া জিলাৰ উপায়ুক্ত দিগন্ত শইকীয়া, বিশিষ্ট সমাজকৰ্মী যুধিষ্ঠিৰ গগৈ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি অৰুণজ্যোতি মৰাণ, আৰক্ষীৰ উপ মহাপৰিদৰ্শক জিৎমল দলে, বিশিষ্ট সমাজকৰ্মী লক্ষ্যেশ্বৰ মৰাণ প্ৰমুখ্যে বহু সংখ্যক গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বঃভাঃ**
**৩১/০১/২০২১**